জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৯৮/২০২২**

# ৰঙালী বিহু উদ্‌যাপন সমিতিসমূহলৈ অসম চৰকাৰৰ তৰফৰ পৰা এককালীন আৰ্থিক সাহায্য প্ৰদান কাৰ্যসূচী আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে

**বিহু নিভাঁজ হৈ থাকক, নতুন প্ৰজন্মই বিহুক কেৱল সাংস্কৃতিক অনুষ্ঠান বুলি অনুভৱ কৰিব নালাগে ঃ মুখ্যমন্ত্ৰী**

**পাৱাৰলুমৰ গামোচাৰ পৰিৱৰ্তে তাঁতশালত থলুৱাভাৱে উৎপাদিত গামোচা ব্যৱহাৰ, অতিথি আপ্যায়নৰ সময়ত লাডু-পিঠা আদি অসমীয়া খাদ্য সম্ভাৰ পৰিৱেশন আৰু বিহু পতাৰ সমান্তৰালকৈ নিজ নিজ অঞ্চলত কৰ্মশালা অনুষ্ঠিত কৰি বিহুৰ দল গঠনৰ উদ্যোগ ল'বলৈ বিহু উদ্‌যাপন সমিতিসমূহক আহ্বান মুখ্যমন্ত্ৰীৰ**

**দিছপুৰ, ৪ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আয়োজিত এক অনুষ্ঠানত ৰাজ্যত ৰঙালী বিহু উদ্‌যাপনৰ সৈতে জড়িত আয়োজক সমিতিসমূহলৈ অসম চৰকাৰৰ তৰফৰ পৰা এককালীন আৰ্থিক সাহায্য প্ৰদান কাৰ্যসূচী আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে।

উল্লেখ্য যে প্ৰতিবছৰে সংক্ৰান্তিৰ পৰা ৬ ব'হাগলৈ ৰঙালী বিহু উদ্‌যাপন কৰা আৰু সৰ্বনিম্ন দহ বছৰ কাল বিহু উদ্‌যাপন কৰি অহা সমিতিসমূহলৈ ৰাজ্য চৰকাৰে এই বিত্তীয় সাহায্য প্ৰদানৰ পদক্ষেপ লৈছে। এই পদক্ষেপৰ অধীনত ৰাজ্যখনৰ ৩০ খন জিলাৰ ১২৬৫ খন বিহু সমিতিলৈ ১.৫০ লাখ টকাকৈ প্ৰদান কৰা হ'ব। ইয়াৰ বাবে সাংস্কৃতিক পৰিক্ৰমা বিভাগে ১৮.৯৭ কোটি টকা ব্যয় কৰিব। আজি কামৰূপ (মহানগৰ) জিলাৰ ১৩৮ খন আৰু কামৰূপ জিলাৰ ১৪২ খন বিহু সমিতিলৈ ১.৫০ লাখ টকালৈ প্ৰদান কৰা হৈছে।

এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিহু অসমৰ জাতীয় জীৱনৰ আয়ুসৰেখালৈ ৰূপান্তৰিত হৈছে। আৰ্থ-সামাজিক উত্তৰণৰ লগতে সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰ সাধনৰ ক্ষেত্ৰতো এখন চৰকাৰৰ দায়িত্ব থাকে। তেনে এক দৃষ্টিভংগীৰে ৰাজ্যখনত পোন প্ৰথমবাৰৰ বাবে ৰঙালী বিহু উদ্‌যাপন সমিতিসমূহলৈ অসম চৰকাৰৰ তৰফৰ পৰা এককালীন আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে লোক সংস্কৃতিৰ গৱেষক ড° লীলা গগৈ, হেম বৰগোহাঞি আৰু ড° নগেন শইকীয়াই বিহু সম্পৰ্কে কৰা মন্তব্যৰ উদ্ধৃতি দাঙি ধৰি কয় যে অতীতত বিহু সাত দিনলৈকেহে পালন কৰা হৈছিল। সংক্ৰান্তিৰ পৰা ব'হাগ মাহৰ ৬ তাৰিখলৈ অতীতত বিহু মৰা হৈছিল। বহুতৰ মতে

ৰংপুৰৰ ৰংঘৰ চৌহদৰ পৰা নামনিলৈ বিহু মাৰি আহোতে কলিয়াবৰতে সাত দিন লাগিছিল। সেই সাত দিনতে সাত বিহুৰ নামকৰণ হৈছিল।

আহোমৰ ৰাজত্বকালত বিহু জাতীয় উৎসৱলৈ ৰূপান্তৰিত হয় আৰু অসমৰ সকলো অঞ্চলতেই যাতে বিহু পালন কৰা হয়, তাৰ বাবে আহোম স্বৰ্গদেউসকলে প্ৰয়াস কৰিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে স্বৰ্গদেউ ৰুদ্ৰসিংহই ১৬৮৯ চনত তৰুণ দুৱৰা বৰফুকনৰ দ্বাৰা শুৱালকুছিৰ ভৃংগেশ্বৰ দেৱালয়ৰ এখন ধৰ্মোত্তৰ দানপত্ৰত ব'হাগ বিহু পালন কৰিবলৈ নিৰ্দেশ দিয়াইছিল। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে বিহুৰ সৈতে জড়িত আছে অসমৰ কেঁচা মাটিৰ গোন্ধ, জনজীৱনৰ স্পন্দন আৰু মানুহৰ মনৰ গতিশীলতা। বিহুৱে অসমীয়া জাতিক বৈচিত্ৰ্যময় আৰু ঐতিহ্যময় কৰি তুলিছে। কিন্তু সাম্প্ৰতিক কালত বিহু বহু সময়ত সাংস্কৃতিক অনুষ্ঠানলৈ পৰ্যবসিত হৈছে তাৰ ফলত মানুহে সাত বিহুৰ কথা পাহৰি ডেৰ মাহতকৈও বেছি দিন পৰ্যন্ত বিহু উদ্‌যাপন কৰিবলৈ লৈছে। নতুন প্ৰজন্মই যাতে বিহু কেৱল মাত্ৰ এক সাংস্কৃতিক অনুষ্ঠান বুলি অনুভৱ কৰিবলৈ নলয়, সেই উদ্দেশ্যে আমি এটা নিভাঁজ বিহু আমাৰ উত্তৰ প্ৰজন্মক দি থৈ যাব লাগিব বুলিও মন্তব্য কৰি তেওঁ কয় যে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই ব'হাগক গণ জীৱনৰ সাহ বুলি অভিহিত কৰি গৈছে। বিহু আৰু সাংস্কৃতিক অনুষ্ঠানৰ মাজত ক'ৰবাত নহয় ক'ৰবাত পাৰ্থক্য থাকিব লাগিব বুলিও তেওঁ কয়।

এক নতুন চিন্তা-চৰ্চ্চাৰে বিহুটিক ধৰি ৰাখিবলৈ বিহুৰ প্ৰকৃত তাৎপৰ্য আৰু গৰিমা ঘূৰাই অনাৰ দায়িত্ব ল'বলৈ বিহু উদ্‌যাপন সমিতিসমূহলৈ আহ্বান জনাই অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে কয় যে বিহু আয়োজন কৰাৰ আগতে আমি বিহু আয়োজনৰ নৈতিক অধিকাৰো আহৰণ কৰি ল'ব লাগিব। তেওঁ বিহুৰ অনুষ্ঠানত পাৱাৰলুমৰ গামোচাৰ পৰিৱৰ্তে তাঁতশালত থলুৱাভাৱে উৎপাদিত গামোচা ব্যৱহাৰ কৰিবলৈ বিহু আয়োজক সমিতিসমূহলৈ আহ্বান জনায়। ইয়াৰ উপৰি বিহুৰ সময়ছোৱাত অতিথি আপ্যায়নৰ সময়ত লাডু-পিঠা আদি অসমীয়া খাদ্য সম্ভাৰ পৰিৱেশনৰ ব্যৱস্থা কৰিবলৈও বিহু উদ্‌যাপন সমিতিসমূহক আহ্বান জনাই ড° শৰ্মাই লগতে কয় যে বিহু পতাৰ সমান্তৰালকৈ নিজ নিজ অঞ্চলত কৰ্মশালা অনুষ্ঠিত কৰি বিহুৰ দল গঠনৰ বাবেও বিহু উদ্‌যাপন সমিতিসমূহে উদ্যোগ লোৱা উচিত। মুখ্যমন্ত্ৰীয়ে কয় যে বিহুৱে অসমীয়া জাতিক বৈচিত্ৰ্যময় আৰু ঐতিহ্যময় কৰি তুলিছে। বিহু নিভাঁজ হৈ থাকক সেই উদ্দেশ্যেই ৰাজ্য চৰকাৰে ৰঙালী বিহু উদ্‌যাপন সমিতিসমূহলৈ এককালীন আৰ্থিক সাহায্য প্ৰদানৰ পদক্ষেপ গ্ৰহণ কৰিছে। অনাগত সময়তো চৰকাৰে সমিতিসমূহৰ লগত জড়িত হৈ থাকিব।

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক ড° দেৱজিৎ খনিকৰে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বড়াই ভাষণ প্ৰদান কৰে। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সচিব লায়া মাদ্দুৰীৰ উপৰি কামৰূপ (মহানগৰ) জিলা আৰু কামৰূপ জিলাৰ তালিকাভুক্ত বিহু সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

**নিঃকুঃদাঃ**

৪-০৪-২০২২